# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 11-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে চৰাইদেউ জিলাৰ সাপেখাঁটিত এখন নতুন জৱাহৰ নবোদয় বিদ্যালয় নিৰ্মাণৰ অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে আজি এই কথা সদৰি কৰি কয়, যে নতুন বিদ্যালয়খনৰ সংযোজনে জিলাখনৰ শিক্ষাৰ মান অধিক শক্তিশালী কৰাৰ লগতে শিশুসকলক উন্নত শিক্ষাৰ সুযোগ প্ৰদান কৰিব। এই সিদ্ধান্তৰ বাবে তেওঁ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০

গুৱাহাটীকে ধৰি ৰাজ্যখনৰ প্ৰায়বোৰ অঞ্চল আজি প্ৰচণ্ড গৰমৰ প্ৰভাৱত পৰিছে। উজনি অসম আৰু উত্তৰ অসমৰো বিভিন্ন অঞ্চলত আজি পাৰস্তম্ভই ৩৮ ডিগ্ৰী ছেলছিয়াছ চুইছেগৈ। ইয়াৰ লগতে বতাহত আপেক্ষিক আৰ্দ্ৰতাৰ পৰিমাণ ৬০ শতাংশ অতিক্ৰম কৰাত জনসাধাৰণে অধিক উষ্ণতাৰ পৰিৱেশত থকা যেন অনুভৱ কৰিছে। অহা দুদিনলৈ ৰাজ্যখনলৈ এনে তীব্ৰ গৰমৰ পৰিৱেশ বৰ্তি থাকিব।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাট জিলাৰ টিয়ক এফ আৰ ইউত জিলাখনৰ তৃতীয়টো ডায়েলেচিচ ইউনিটৰ শুভ উদ্বোধন কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ ৰাজহুৱা, ব্যক্তিগত অংশীদাৰিত্বৰ অধীনত স্থাপন কৰা এই অত্যাধুনিক ডায়েলেচিচ ইউনিটটোৱে অঞ্চলটোৰ চিকিৎসা সেৱাৰ প্ৰয়োজনীয়তা পূৰ কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে জিলা প্ৰশাসনৰ বিভিন্ন বিষয়া আৰু ভালেমান ব্যক্তি উপস্থিত থাকে।

০০০০

মৰিগাওঁ জিলাৰ ধৰমতুল আৰক্ষী থানাৰ অন্তৰ্গত বেলগুৰি গাওঁৰ এজন লোকক মৰিগাওঁ পকচো আদালতে আজি ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্য তথ্য মতে দিপু বাংথাই নামৰ এজন লোকে ৫ বছৰ পূৰ্বে এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ অভিযোগৰ তদন্ত কৰি আদালতে দোষী দিপু বাংথাইক এই কাৰাদাণ্ড বিহে। ইপিনে, একেখন আদালতে আজি মৰিগাওঁ আৰক্ষী থানাৰ অন্তৰ্গত মৰাকলং গাঁওৰ জয়ন্ত চৌহান নামৰ নাবালিকা নিৰ্যাতনকাৰী এজনক দুবছৰ কাৰাদণ্ডৰে দণ্ডিত কৰিছে।

০০০০

ধেমাজি জিলাৰ চিচিবৰ গাঁও বিধানসভা সমষ্টিত অংগনবাড়ী কৰ্মীসকলৰ মাজত সাংসদ প্ৰদান বৰুৱাই মোবাইল ফোন বিতৰণ কৰে। ধেমাজি জিলাৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ সৌজন্যত চিচিবৰ গাঁও সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত সাংসদ প্ৰদান বৰুৱাই অংগনবাড়ী কৰ্মীসকলৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কত আলোচনা কৰে। আজিৰ সভাত ৫৩৫গৰাকী অংগনবাড়ী কৰ্মীক

মোবাইল ফোন বিতৰণৰ জৰিয়তে অংগনবাড়ী কেন্দ্ৰসমূহৰ কাৰ্যক্ষমতা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। লগতে এই স্মাৰ্ট ফোনৰ সহায়ত কৰ্মীসকলে শিশুৰ শিক্ষা, পুষ্টি আদি সন্দৰ্ভত তথ্য সংগ্ৰহৰ উপৰি অন্যান্য কামসমূহ সহজভাৱে সম্পাদন কৰিব পাৰিব বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে।

০০০০

বঙাইগাঁও শোধনাগাৰ চিকিৎসালয়ত আজি অনুষ্ঠিত এটা ৰক্তদান শিবিৰ জে এছ্ বি অসামৰিক চিকিৎসালয়ৰ ৰক্তভাণ্ডাৰৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ দিপালী বৰদলৈ মান্তাই মুকলি কৰে। বঙাইগাঁও তেল শোধনাগাৰ চিকিৎসালয়ৰ উদ্যোগত আৰু কাজলগাঁৱৰ জে এছ্ বি অসামৰিক চিকিৎসালয়ৰ সহযোগত এই ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। অনুষ্ঠানত বঙাইগাঁও শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক তথা শোধনাগাৰৰ মুৰব্বী নয়ন কুমাৰ বৰুৱা মুখ্য অতিথি ৰূপে উপস্থিত থকাৰ লগতে শোধনাগাৰৰ মহাপ্ৰবন্ধক, চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া চিকিৎসা বিভাগৰ কেইবাজনো বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। ৰক্তদান শিবিৰত গ্ৰহণ কৰা ৰক্তসমূহ কাজলগাঁও জে এছ্ বি অসামৰিক চিকিৎসালয়ৰ ৰক্ত ভাণ্ডাৰত মজুত ৰখা হ'ব।

০০০০

ধেমাজি জিলাৰ জোনাইত আৰক্ষীয়ে আৰু মিচিং ছাত্ৰ সংগঠন টি এম টি কেৰ বিষয়ববীয়াই মুৰ্কংচেলেক ৰে'ল ষ্টেচনৰ দাঁতিকাষৰীয়া গাঁৱত অভিযান চলাই নিচাযুক্ত সামগ্ৰী জব্দ কৰাৰ লগতে তিনিজন লোকক আটক কৰিছে। অভিযানত নগীয়া কেম্পৰ নিৰাসী জামাল আলী, পুতুল মাহাতো আৰু কংকন নাথৰ পৰা ৪ কেজিৰো অধিক নিচাযুক্ত সামগ্ৰী জব্দ কৰা হয়।

০০০০

কামৰূপৰ বাইহাটা চাৰিআলিৰ গোগত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন ছাত্ৰৰ থিতাতে মৃত্যু হয়। ট্ৰাকৰ খুন্দাত থিতাতে নিহত ছাত্ৰজন বাইহাটা চাৰিআলিৰ ৰামানুজম একাডেমী উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ ৰিকৰাজ হুছেইন বুলি জানিব পৰা গৈছে। ছাত্ৰজন টিউচনৰ পৰা বাইকেৰে ঘৰলৈ গৈ থকা অৱস্থাত দুৰ্ঘটনাতো সংঘটিত হয়। ছাত্ৰজনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

০০০০

ৰাজ্যত উৎকট গৰমে জনসাধাৰণৰ জীৱন বিপৰ্যস্ত কৰি তোলাৰ সময়তে আজি ডিব্ৰুগড় জিলাৰ দুলীয়াজানত এজন লোকৰ গৰমৰ বাবে মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। দুলীয়াজানৰ অইল ইণ্ডিয়াৰ অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয়ৰ সমীপত মৃতদেহটো উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে এই পৰ্যন্ত মৃত লোকজনৰ পৰিচয় জানিব পৰা নাই।

০০০০

ধুবুৰীত কালিৰ পৰা ব্ৰহ্মপুত্ৰত সন্ধানহীন হৈ পৰা এজন যুৱকৰ মৃতদেহ আজি উদ্ধাৰ কৰা হয়। এছ ডি আৰ এফ বাহিনীয়ে আজি নদীৰ বুকুৰ পৰা যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰে। মৃত যুৱকজন গৌৰীপুৰৰ আৰিফ মহম্মদ আফতাব বুলি জানিব পৰা গৈছে। ধুবুৰী আৰু ফুলবাৰীৰ মাজত নিৰ্মীয়মান দলঙৰ সমীপত গা ধুবলৈ গৈ যুৱকজন নদীৰ বুকুত সন্ধানহীন হৈ পৰিছিল।

০০০০

সমাপ্ত